NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১।	নিৰ্বাচন আয়োগে অৰুণাচল প্ৰদেশ আৰু ছিকিম বিধানসভাৰ ভোট গণনা ৪ জুনৰ পৰিৱৰ্তে ২ জুনত কৰা হ'ব বুলি ঘোষণা কৰিছে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ পালনাডু জিলাত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ প্ৰাজগলম শীৰ্ষক এখন নিৰ্বাচনী সভাত ভাষণ দিছে।

৩।	কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ  নেতৃত্বত চলা ভাৰত জোড়ো ন্যায় যাত্ৰাৰ আজি বিয়লি মুম্বাইৰ শিৱাজী পাৰ্কত সামৰণি পৰিব।

৪।	ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এই স্নাতক পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জনকাৰী পৰীক্ষা চি ইউ ই টি ইউ জি পূৰ্বে ঘোষণা কৰাৰ দৰেই ১৫ৰ পৰা ৩১ মে'ৰ ভিতৰত অনুষ্ঠিত কৰিব।

*আৰু*

৫।	মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি খন্তেক সময়ৰ পাছতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ ডেল্হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

নিৰ্বাচন আয়োগে অৰুণাচল প্ৰদেশ আৰু ছিকিম বিধানসভাৰ ভোট গণনা ৪ জুনৰ পৰিৱৰ্তে ২ জুনত কৰা হ'ব বুলি ঘোষণা কৰিছে। নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে  ৰাজ্যকেইখনৰ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন কৰা হোৱা নাই বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগে কালি সাধাৰণ নিৰ্বাচনৰ লগতে ছিকিম, ওড়িশা, অন্ধ্ৰপ্ৰদেশ আৰু অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰে। ছিকিম বিধানসভাৰ ৩২খন আসন আৰু অৰুণাচন প্ৰদেশ বিধানসভাৰ ৬০খন আসনৰ বাবে অহা ১৯ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সৈতে একেটা পৰ্যায়তে কৰা হ'ব। আনহাতে অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ ১৭৫ খন আসনৰ বাবে অহা ১৩ মে'ত এটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। ইপিনে ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ বাবে ১৩ মে', ২০ মে', ২৫ মে' আৰু পহিলা জুনত চাৰিটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০০

নিৰ্বাচন আয়োগে উচ্চতম ন্যায়ালয়ৰ পৰা লাভ কৰা নিৰ্বাচনী ব'ণ্ডৰ তথ্যসমূহ আজি নিজনৰ ৱেবছাইটত প্ৰকাশ কৰিছে। এই তথ্যসমূহ www.eci.gov.in/candidate-politicalparty যোগে জনসাধাৰণে চাব পাৰিব। নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে কৈছে যে, ৰাজনৈতিক দলসমূহে নিৰ্বাচনী ব'ণ্ডৰ তথ্যসমূহ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বন্ধ খামত দাখিল কৰিছে। ৰাজনৈতিক দলসমূহৰ পৰা লাভ কৰা এই তথ্যসমূহ বন্ধ

খামতেই উচ্চতম ন্যায়ালয়ত দাখিল কৰা হৈছে। যোৱা ১৫ মাৰ্চত শীৰ্ষ আদালতখনে দিয়া আদেশৰ ভিত্তিত এই ব'ণ্ডৰ নথিৰ কাজগ-পত্ৰসমূহৰ লগতে ডিজিটেলৰূপতো নিৰ্বাচন আয়োগক ঘূৰাই দিয়ে।

oooooooo

নিৰ্বাচন আয়োগে পেৰা আৰ্চাৰ তথা আৰ্জুন বঁটা বিজয়ী শ্বিটল দেৱীক আয়োগৰ ৰাষ্ট্ৰীয় দিব্যাংগ আইকন হিচাপে ঘোষণা কৰিছে। নতুন দিল্লীত কালি আয়োজিত ভাৰতীয় বধিৰ ক্ৰিকেট সংস্থা দল আৰু দিল্লী তথা জিলা ক্ৰিকেট সংস্থা দলৰ মাজত আয়োজিত এখন প্ৰদৰ্শনীমূলক ক্ৰিকেট খেলত তেওঁৰ নামটো ঘোষণা কৰা হয়। নিৰ্বাচন আয়োগে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সহযোগত ভোটদাতাৰ সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এই খেলখনৰ আয়োজন কৰিছিল। এই কাৰ্যসূচীত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ তথা সুখবিৰ সিং সান্ধু উপস্থিত থাকে। অনুষ্ঠানত আয়োগে দিব্যাংগ তথা জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে বিশেষ পৰামৰ্শমূলক পুষ্টিকা মুকলি কৰে। এই পুস্তিকাত দিব্যাংগ তথা জ্যেষ্ঠ নাগৰিকৰ বাবে সকলো ভোটদান কেন্দ্ৰতে উপলব্ধ হ'বলগীয়া সকলো ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ পালনাডু জিলাত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ প্ৰাজগলম শীৰ্ষক এখন নিৰ্বাচনী সভাত ভাষণ দিছে। প্ৰধানমন্ত্ৰীয়ে শ্ৰী মোদীয়ে আজি বিয়লি গান্নাবাৰাম বিমান বন্দৰত উপস্থিত হৈ চিলাকালুৰিপেটৰ সমীপৰ বপুদ্দীত এখন জনসভাত ভাষণ দিয়ে। উল্লেখযোগ্য যে এই সভাখনেই অন্ধ্ৰপ্ৰদেশত এন ডি এৰ প্ৰথমখন নিৰ্বাচনী সভা। এই নিৰ্বাচনী সভাত শ্ৰী মোদীৰ লগত তেলুগু দেশম পাৰ্টীৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডু আৰু জনসেনা পাৰ্টীৰ মুৰব্বী পৱন কল্যানে অংশগ্ৰহণ কৰিছে। এয়া হৈছে অন্ধ্ৰপ্ৰদেশত এন ডি এৰ অংশীদাৰ দলসমূহৰ সৈতে ১০ বছৰৰ পাছত প্ৰথমখন নিৰ্বাচনী সভা। উল্লেখযোগ্য যে ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ অহা ১৩ মে'ত বিধানসভা নিৰ্বাচনো অনুষ্ঠিত হ'ব।

ooooooo

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি কয় যে সম্প্ৰতি যুঁজখন কেৱল বিজেপি আৰু কংগ্ৰেছৰ মাজৰ নহয় বৰঞ্চ দুটা আদৰ্শৰ মাজৰ যুঁজ। দক্ষিণ মুম্বাইৰ তেজপাল ভৱনত এখন জনসভা সম্বোধন কৰি শ্ৰী গান্ধীয়ে লগতে কয় যে কংগ্ৰেছে ক্ষমতাৰ বিকেন্দ্ৰীকৰণত গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে শাসকীয় দলটোৱে কেন্দ্ৰীভূতভাৱে দেশৰ শাসন চলোৱাৰ আদৰ্শত বিশ্বাসী বুলি অভিযোগ তোলে। শ্ৰী গান্ধীয়ে মুম্বাইৰ মহাত্মাগান্ধীৰ গৃহ মণিভৱনৰ পৰা ব্ৰিটিছ শাসনৰ পৰা ভাৰতক মুক্ত কৰাৰ বাবে ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলন আৰম্ভ হোৱা আগষ্টক্ৰান্তী মৈদানলৈ ন্যায় সংকল্প পদ যাত্ৰাত অংশগ্ৰহণ কৰে। শ্ৰী গান্ধীৰ নেতৃত্বত চলা ভাৰত জোড়ো ন্যায় যাত্ৰাৰ আজি বিয়লি মুম্বাইৰ শিৱাজী পাৰ্কত সামৰণি পৰিব। ৰাহুল গান্ধীৰ লগতে কংগ্ৰেছৰ সাধাৰণ সম্পাদিক প্ৰিয়ংকা গান্ধী ভাড্ৰাৰ আৰু এন চি পিৰ মুৰব্বী শৰদ পাৱাৰ, তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনসহ অন্যান্য নেতাসকলে এই জনসভাত উপস্থিত থাকিব।

oooooooo

দেশৰ ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে আয়োজন কৰা ষ্টাৰ্টআপ মহাকুম্ভৰ কাইলৈ আৰম্ভ হ'ব। নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া এই অনুষ্ঠানটো ২০ মাৰ্চ পৰ্যন্ত চলিব। এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা বি টু বি, কৃষি প্ৰযুক্তি, জলবায়ু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ষ্টাৰ্টআপসমূহ দেখিবলৈ পোৱা যাব। এই অনুষ্ঠানৰ উদ্দেশ্য হৈছে বিনিয়োকাৰী আৰু কৰ্পোৰেট অংশীদাৰসকলক ভাৰতীয় ষ্টাৰ্টআপৰ সৈতে জড়িত কৰা। আজি নতুন

দিল্লীত আয়োজিত এখন সংবাদমেলত দিপি আই আই টিৰ সচিব ৰাজেশ কুমাৰ সিঙে কয় যে, দেশৰ ৰাজধানীত বৃহৎ পৰিসৰত আয়োজন কৰা ষ্টাৰ্টআপ মহাকুম্ভ হৈছে এনেধৰণৰ প্ৰথমটো অনুষ্ঠান। ভাৰত ষ্টাৰ্টআপৰ ক্ষত্ৰেত তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি শ্ৰী সিঙে কয় যে, প্ৰতিদিনেই ষ্টাৰ্টআপৰ সংখ্যা বৃদ্ধি পাই আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানটোত দুহেজাৰৰো অধিক ষ্টাৰ্টআপৰ লগতে ৩০ হাজাৰ ভৰিষ্যতৰ উদ্যমী, ৫০ হাজাৰ ব্যৱসায়িক অভ্যাগত আৰু ১০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

oooooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এই স্নাতক পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জনকাৰী পৰীক্ষা চি ইউ ই টি ইউ জি পূৰ্বে ঘোষণা কৰাৰ দৰেই ১৫ৰ পৰা ৩১ মে'ৰ ভিতৰত অনুষ্ঠিত হ'ব। ইউ জি চিৰ অধ্যক্ষ এম জগদেশ কুমাৰে সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত কয় যে, অহা ২৬ মাৰ্চত পৰীক্ষাৰ আবেদনপত্ৰ দাখিলৰ শেষ তাৰিখৰ পাছতহে এই পৰীক্ষাৰ নাম পঞ্জীয়ন কৰা শিক্ষাৰ্থীৰ সংখ্যা সম্পৰ্তে জানিব পৰা যাব। শিক্ষাৰ্থীৰ সংখ্যা আৰু স্থানৰ তথ্যৰ লগতে নিৰ্বাচনৰ তাৰিখৰ ভিত্তিত এন টি এই চি ইউ ই টি ইউ জি পৰীক্ষাৰ বাবে ১৫ৰ পৰা ৩১ মে'ৰ ভিতৰত তাৰিখ ঘোষণা কৰিব।

oooooooo

ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা নিয়াই মহাৰাষ্ট্ৰৰ পুনেত আইছিছৰ সৈতে জড়িত ১১টা অভিযুক্তৰ চাৰিটাকৈ স্থাৱৰ সম্পত্তি সন্ত্ৰাবাদী কাৰ্যকলাপৰ সৈতে জড়িত বুলি প্ৰকাশ কৰিছে। সংস্থাটোৱে প্ৰকাশ কৰা অনুসৰি এই স্থাৱৰ সম্পত্তিসমূহ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰিকল্পনা তথা বিভিন্ন উন্নত বিস্ফোৰক সামগ্ৰী প্ৰস্তুত কৰাৰ উপৰি এই সমূহৰ প্ৰশিক্ষণৰ বাবে ব্যৱহাৰ কৰা হৈছে। সংস্থাটোৱে প্ৰকাশ কৰা প্ৰেছ বিজ্ঞপ্তিত পুনেৰ কান্ধৱাত থকা স্থাৱৰ সম্পত্তিসমূহৰ তিনিজনকৈ পলাকত লোককে ধৰি ১১ টা অভিযুক্তৰ সৈতে সংযোগ আছে বুলি উল্লেখ কৰা হৈছে। বিজ্ঞাপ্তিতোত উল্লেখ থকা অনুসৰি সংগঠনটোৱে মহাৰাষ্ট্ৰ, গুজৰাট আৰু দেশৰ বিভিন্ন প্ৰান্তত সন্ত্ৰাসবাদী কাৰ্যকলাপ চলোৱাৰ পৰিকল্পনা কৰি আছিল। সংস্থাটোৱে লগতে প্ৰকাশ কৰে যে, আইছিছৰ ষড়যন্ত্ৰ আৰু কাৰ্যকলাপ প্ৰতিহত কৰিবলৈ নিয়াই অনুসন্ধান অব্যাহত ৰাখিব।

oooooooo

আফগানিস্তানৰ হেৰাট কান্দাহাৰ ঘাইপথত সংঘটিত এটা মটৰ দুৰ্ঘটনাত ২১ গৰাকী লোক নিহত হোৱাৰ লগতে ৩৮ গৰাকী লোক আহত হয়। আহতসকলৰ ভিতৰত ১১ গৰাকীৰ অৱস্থা সংকটজনক। হেলমান্দ প্ৰদেশৰ তথ্য আৰু সাংস্কৃতিক সঞ্চালকালয়ে প্ৰকাশ কৰা অনুসৰি হেলমান প্ৰদেশৰ গ্ৰীষ্ক জিলাৰ য়াখচল অঞ্চলত আজি পুৱাৰ ভাগত এই দুৰ্ঘটনাটো সংঘটিত হয়। স্থানীয় বিষয়াই প্ৰকাশ কৰা অনুসৰি এখন যাত্ৰীবাহী বাছে দুচকীয়া বাহনত খুন্দিওৱাৰ পাছত এখন তেলপৰিবাহী বাহনত খুন্দা মাৰে। এই ঘটনাত বাহনকেইখনত জুই লাগে। বিবৃতিটোত প্ৰকাশ পোৱা অনুসৰি দুৰ্ঘটনাটোত ১৬ গৰাকী বাছ যাত্ৰী, মটৰ চাইকেলৰ দুই গৰাকী আৰোহীৰ লগতে তেলপৰিবাহী বাহনত যাত্ৰা কৰা তিনিগৰাকী লোক নিহত হয়। আহতসকলক লাশ্বকাৰগা মহানগৰৰ হেলমান্দৰ গ্ৰীষ্ক জিলাৰ চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে।

oooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৰশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

ooooooooo

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আজি দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন খন্তেক সময় পাছেত আৰম্ভ হ'ব। ডেল্‌হি কেপিটেলছে ইতিমধ্যে টছত জিকি বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

স্মৃতি মন্ধনা নেতৃত্বাধীন ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে শুকুৰবাৰে দিল্লীত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ডেল্‌হি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ভিতৰত ছখনত জয়লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। ৰয়েল চেলেঞ্জাৰ্ছে এতিয়ালৈকে ৪ খন খেলত জয়ী হৈছে।

ooooooooo

সমাপ্ত